**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-09-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

আম আদমী পাৰ্টীৰ জ্যেষ্ঠ নেত্ৰী আতিশী মাৰ্লেনাই আজি দিল্লীৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। ৰাজ নিবাসত অনুষ্ঠিত শপত গ্ৰহণ অনুষ্ঠানত দিল্লীৰ লেফ্‌টেনেণ্ট গৱৰ্নৰ এল জি ভি কে ছাক্সেনাই আতিশীৰ লগতে মন্ত্ৰী পৰিষদক শপত বাক্য পাঠ কৰোৱায়। উল্লেখযোগ্য যে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আপৰ নেতা অৰবিন্দ কেজৰিৱালৰ পদত্যাগৰ পাছত আতিশী মাৰ্লেনাক দিল্লীৰ মুখ্যমন্ত্ৰী হিচাপে নিযুক্তি দিয়াৰ লগতে অন্য ৫ জন মন্ত্ৰীৰ নিযুক্তিৰ বাবেও অনুমতি দিছিল। এই নতুন মন্ত্ৰীসভাৰ মন্ত্ৰীসকল হৈছে - গোপাল ৰায়, কৈল্যাস গেহলট, সৌৰভ ভৰদ্বাজ, ইমৰান হুছেইন আৰু মুকেশ আহলাৱট। উল্লেখযোগ্য যে সুষমা স্বৰাজ আৰু শীলা দিক্ষিতৰ পাছত আতিশী মাৰ্লেনা দিল্লীৰ তৃতীয়গৰাকী মহিলা মুখ্যমন্ত্ৰী।

০০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি শোণিতপুৰ জিলাৰ ঢেকীয়াজুলিত চহিদ স্মাৰক উদ্যানৰ সন্মিলন কেন্দ্ৰ আৰু প্ৰতিমূৰ্তি উদ্বোধন কৰে। উদ্বোধন অনুষ্ঠানটোত মুখ্য অতিথি হিচাপে উপস্থিত থাকি মুখ্যমন্ত্ৰীয়ে  ঢেকীয়াজুলীক উপ-জিলা ৰূপে ঘোষণা কৰে। ঢেকীয়াজুলি উপ জিলাৰ কাম-কাজ ২ অক্টোবৰৰ পৰা আৰম্ভ হ'ব বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই ভাষণত উল্লেখ কৰে। ইয়াৰ লগতে তেওঁ ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত অঞ্চলটোৰ ৰাইজে গ্ৰহণ কৰা বিশেষ ভূমিকা আৰু আত্মবলিদানৰ কথাও ভাষণ প্ৰসংগত সোঁৱৰে। ঢেকীয়াজুলিৰ ২৪ জন সাহসী শ্বহীদৰ আত্মত্যাগৰ কথা উল্লেখ কৰি ড° শৰ্মাই কয় যে দেশত জালিয়ানাৱালাবাগৰ পাছত ঢেকীয়াজুলিতে সৰ্বাধিক সংখ্যক লোকে দেশৰ হকে প্ৰাণত্যাগ কৰিছিল। অঞ্চলটোৰ বিভিন্ন জাতি-জনজাতিৰ লোকে ঐক্যবদ্ধভাৱে স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰিছিল বুলি মুখ্যমন্ত্ৰী শৰ্মাই ভাষণত উল্লেখ কৰে। অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰা, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী অশোক সিংহল, বিধায়ক পৃথ্বিৰাজ ৰাভা, গণেশ কুমাৰ লিম্বু আৰু শোণিতপুৰ জিলাৰ ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০০

অসম চৰকাৰে ৰাজ্যখনত ৪ হাজাৰ বিদ্যালয় পুনৰ নিৰ্মাণ কৰিব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। ইয়াৰ ভিতৰত ৫০০ খন বিদ্যালয়ৰ অহা বছৰৰ আৰম্ভণিতে নিৰ্মাণ সম্পূৰ্ণ হ'ব। প্ৰতিযোগিতামূলক পৃথিৱীখনত খাপ খাব পৰাকৈ অসমৰ ভৱিষ্যত প্ৰজন্মক দক্ষতা আৰু কৌশলেৰে সাজু কৰি তুলিবলৈ চৰকাৰী বিদ্যালয়সমূহৰ আন্তঃগাঁথনি উন্নয়নত অসম চৰকাৰে গুৰুত্ব প্ৰদান কৰিছে বুলি শ্ৰী শৰ্মাই মন্তব্য কৰে। আজি মুখ্যমন্ত্ৰীগৰাকীয়ে বেজেৰাত নিৰ্মীয়মান ৪ হাজাৰ বিদ্যালয়ৰ মাজৰ এখনৰ নিৰ্মাণ অগ্ৰগতিৰ পৰিদৰ্শন কৰে।

০০০০০০০

ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰৰ প্ৰথমগৰাকী সত্ৰাধিকাৰ মথুৰাদাস বুঢ়াআতাৰ তিৰোভাৱ তিথি ৫ দিনীয়া কাৰ্যসূচীৰে আজি কীৰ্তন মহোৎসৱ হিচাপে সত্ৰখনত পালন কৰা হৈছে। উল্লেখযোগ্য যে শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱ গুৰু দুজনাৰ পাছতেই বৰপেটাৰ সত্ৰীয়া ব্যৱস্থাত মহাপুৰুষ মাধৱদেৱৰ প্ৰিয় শিষ্য শ্ৰীশ্ৰী মথুৰাদাস বুঢ়াআতাক অধিক মান্যতা প্ৰদান কৰা হয়। মহাপুৰুষ মাধৱদেৱে স্থাপন কৰা বৰপেটা সত্ৰক কেন্দ্ৰ কৰি মথুৰাদাস বুঢ়াআতাই মৌলিক চিন্তাৰে বৰপেটাত হাতিয়াৰ পুঁজিৰে বেংক ব্যৱস্থাৰ আৰম্ভণি কৰা, চৰু ভড়াল আদি পদক্ষেপ গ্ৰহণ কৰিছিল। তদুপৰি তেওঁ সত্ৰৰ সত্ৰাধিকাৰজনক বংশানুক্ৰমিক নহয় সত্ৰবাসীৰ দ্বাৰা নিৰ্বাচিত কৰাৰ পৰম্পৰা সৃষ্টিৰে গণতান্ত্ৰিক ধ্যান ধাৰণাৰো জন্ম দিছিল। বুঢ়াআতাৰ তিৰোভাৱ তিথি মহোৎসৱৰ মূলসভা উপলক্ষে আজি ভকত বৈষ্ণৱ আৰু আইসকলৰ নাম প্ৰসংগৰ লগতে অংকীয়া নাটো পৰিৱেশন কৰা হয়। আজিৰ কীৰ্তন মহোৎসৱত অংশগ্ৰহণ কৰি মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামীয়ে আতা পুৰুষসকলৰ আদৰ্শ আৰু তেওঁলোকে দি যোৱা অৱদান যুৱ প্ৰজন্মৰ ওচৰলৈ লৈ যোৱাত গুৰুত্ব আৰোপ কৰে।

০০০০০০০

স্বচ্ছতাই সেৱা কাৰ্যসূচীৰ অংশ হিচাপে আজি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ডিব্ৰুগড়ত কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰে।  অনুষ্ঠানত অংশ লৈ তেওঁ কয় যে, এখন সুস্থ সবল সমাজ গঢ়ি তোলাৰ বাবে সকলোকে স্বচ্ছতাক দৈনন্দিন জীৱনৰ অংগ হিচাপে আকোৱালি ল'ব লাগিব। মন্ত্ৰীগৰাকীয়ে ডিব্ৰুগড় অসামৰিক চিকিৎসালয়ত স্বচ্ছতাৰ বাবে জনঅংশীদাৰ কাৰ্যসূচীত অংশ লৈ  পৰিৱেশ স্বচ্ছ আৰু নিকাকৈ ৰখাৰ বাবে প্ৰতিগৰাকী নাগৰিকক দায়বদ্ধ আৰু সংকল্পবদ্ধ হ'বলৈ আহ্বান জনাই তেওঁ চিকিৎসালয়খনত স্বচ্ছতা অভিযানত প্ৰত্যক্ষভাৱে অংশ  লয়। মন্ত্ৰীগৰাকীয়ে ছাফাই মিত্ৰ সুৰক্ষা শিবিৰো শুভাৰম্ভ কৰে। তেওঁ কয় যে, পৰিষ্কাৰ পৰিচ্ছন্নতাৰ দিশত জনসাধাৰণৰ একোটি পদক্ষেপে

দেশক স্বচ্ছ আৰু সুস্থ কৰি তোলাত সহায় কৰিব। ইয়াৰ বাবে সকলোৰে ছাফাই  কৰ্মীৰ ভূমিকা পালন কৰিব লাগিব বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০০০০

ওদালগুৰি জিলাৰ টংলাত আজিৰেপৰা আৰম্ভ হোৱা অসম সাহিত্য সভাৰ ষষ্ঠ পূৰ্ণাংগ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকত বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে অংশগ্ৰহণ কৰে। শ্ৰী দৈমাৰীয়ে সাহিত্য সভাই  অসমৰ জাতীয় জীৱনৰ দিক্ নিৰ্ণায়ক অনুষ্ঠান হিচাপত কাম কৰি আহিছে বুলি মন্তব্য কৰে। বিধানসভাৰ অধ্যক্ষগৰাকীয়ে এটা ভাষা  জাতিৰ অস্তিত্ব স্বৰূপ বুলি মন্তব্য কৰি কয় যে সাহিত্য অবিহনে ভাষা জীয়াই ৰখাটো অসম্ভৱ। অসম সাহিত্য সভাৰ পতাকা উত্তোলনেৰে আৰম্ভ হোৱা আজিৰ কাৰ্যসূচীৰ অসম সাহিত্য সভাৰ সভাপতি সূৰ্যকান্ত হাজৰিকাই শুভাৰম্ভ কৰে। পতাকা উত্তোলন কৰি দিয়া ভাষণত ড° হাজৰিকাই অসমীয়া ভাষা সাহিত্য উন্নয়নৰ লগতে সাধাৰণ মানুহৰ মাজত সুপ্ত হৈ থকা সৃজনীমূলক সৃষ্টিৰাজিক উদ্ভাষিত কৰিবলৈ আৰু বিভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয়ৰ বাবে অসম সাহিত্য সভাই অহোপুৰুষাৰ্থ কৰি যাব বুলি ব্যক্ত কৰে। অধিৱেশনত অসমৰ বিভিন্ন প্ৰান্তৰ প্ৰতিনিধি উপস্থিত থকাৰ লগতে কুঁহি, ৰামধেনু আৰু আকাশ অনুষ্ঠানৰ সদস্যৰ উপস্থিতিৰে আজীৱন সভ্য সন্মিলন অনুষ্ঠিত হয়। কাইলৈ সাহিত্য সভাৰ পূৰ্ণাংগ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হ'ব।

০০০০০০০

সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ তত্বাৱধানত আৰু অসম ফুটবল সন্থাৰ পৰ্যৱেক্ষণ তথা যোৰহাট জিলা ক্ৰীড়া সন্থাৰ আতিথ্যত অনুষ্ঠিত ল'ৰাৰ ছাব-জুনিয়ৰ ৰাষ্ট্ৰীয় ফুটবল চেম্পিয়নশ্বিপত অসমে চূড়ান্ত বিজয়ীৰ খিতাপ অৰ্জন কৰিছে। যোৰহাট ষ্টেডিয়ামত অনুষ্ঠিত ফাইনেল খেলখনত অসমে ১১-০ গ'লৰ ব্যৱধানত হাৰিয়ানাক পৰাস্ত কৰি ২০২৪-২৫ বৰ্ষৰ টিয়াৰ-২ ছেম্পিয়নৰ খিতাপ দখল কৰে। অসমৰ থমাছ দৈমাৰীয়ে ছটা গ'ল কৰি ডাবল হেট্ৰিক অৰ্জন কৰে। বঁটা প্ৰদান অনুষ্ঠানত মৰিয়ণি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ লগতে সৰ্বভাৰতীয় ফুটবল ফেডাৰেচন, অসম ফুটবল সন্থা আৰু যোৰহাট ক্ৰীড়া সন্থাৰ বিষয়ববীয়াসকলৰ উপৰি কেইবাগৰাকীও প্ৰাক্তন খেলুৱৈ উপস্থিত থাকে।

০০০০০০০

**সমাপ্ত**